## ডঃ দেৱভূষণ বৰা

# মুনীন বৰকটকী সাহিত্য বঁটা ঃ ঐতিহ্য আৰু গুৰুত্ব

বিশিষ্ট সাংবাদিক-সাহিত্যিক প্ৰয়াত মুনীন বৰকটকীদেৱৰ পৱিত্ৰ স্মৃতিত ১৯৯৫ চনৰপৰা, অৰ্থাৎ বৰকটকীদেৱৰ প্ৰয়াণৰ দুবছৰৰ পাছৰপৰা প্ৰতিবছৰে অসমীয়া ভাষাৰ তৰুণ লেখকসকলক উৎসাহিত কৰিবলৈ প্ৰদান কৰি অহা মুনীন বৰকটকী সাহিত্য বঁটাই সম্প্ৰতি দীঘলীয়া ৩০ বছৰ সম্পূৰ্ণ কৰিলে। প্ৰয়াত বৰকটকীদেৱে তৰুণ লেখকসকলৰ লেখা আগ্ৰহেৰে পঢ়িছিল আৰু লেখা পঢ়ি তেওঁলোকক অনুপ্ৰেৰণা দিবলৈ তেওঁলোকলৈ পোষ্টকাৰ্ড পঠিয়াইছিল। তেখেতৰ ব্যতিক্ৰমী চিন্তাক নতুন আৰু স্থায়ী ৰূপ দি মুনীন বৰকটকী স্মাৰক ন্যাসে ‘মুনীন বৰকটকী সাহিত্য বঁটা’ প্ৰৱৰ্তন কৰিছিল ৪০ বছৰৰ অনূৰ্ধৰ তৰুণ লেখক-লেখিকাক উৎসাহ যোগাবলৈ। যোৱা ত্ৰিশ বছৰত বৰলুইতৰ বুকুৰে বহু পানী বৈ গ'ল— অনেক সৰু-বৰ ৰাজনৈতিক-সাংস্কৃতিক ঢৌৱে আমাৰ জাতীয় জীৱনক স্পৰ্শ কৰিলে। যি সুদূৰপ্ৰসাৰী চিন্তাক সাৰোগত কৰি বঁটাটি প্ৰচলন কৰা হৈছিল— সেয়া বোধকৰোঁ ইতিমধ্যে সফল হৈছে, কিয়নো নিৰৱচ্ছিন্নভাৱে ১৯৯৫ চনৰপৰা প্ৰদান কৰি অহা এই বঁটা আজি অসমীয়া ভাষাৰ তৰুণ লেখকৰ বাবে অন্যতম সন্মানীয় প্ৰাপ্তি বুলি বিবেচিত হয়। বিভিন্ন বঁটাৰ ধামখুমীয়াতো মুনীন বৰকটকী সাহিত্য বঁটা হৈ আছে তৰুণ লেখকসকলৰ বাবে বহু প্ৰত্যাশিত প্ৰেৰণাৰ উৎস আৰু ভালেমান দৃষ্টিকোণেৰে একক।

যোৱা শতিকাৰ নবৈ দশকৰ মাজেৰে পাৰ হৈ অহা প্ৰতিজন অসমীয়াকে বোধহয় সেই ৰক্তক্ষয়ী দিনবোৰৰ স্মৃতিয়ে আমনি কৰে। তেনে এক অশান্তিজৰ্জৰ সময়তে ‘মুনীন বৰকটকী বঁটা’ প্ৰৱৰ্তন কৰা হৈছিল, যাক ২০১৫ চনৰপৰা ‘মুনীন বৰকটকী সাহিত্য বঁটা’ হিচাপে নামকৰণ কৰা হয়। নবীন চাম সাহিত্যানুৰাগীৰ বাবে ই আছিল সেই সময়ত হতাশাৰ মাজত এক আশাৰ বতৰা। আন এটা কথাও মন কৰিবলগীয়া যে তেতিয়া তৰুণ লেখক-

লেখিকাৰ বাবে, বিশেষকৈ চল্লিছৰ অনূৰ্ধৰ লেখকৰ বাবে অসমত নিয়মীয়াকৈ দিয়া প্ৰধান স্বীকৃতি বা বঁটা তেনেকৈ নাছিল। সাহিত্য অকাডেমিয়ে যুৱ বঁটা প্ৰদান কৰিবলৈ লৈছে ২০১১ চনৰপৰাহে। সেয়েহে প্ৰতিভাসম্পন্ন তৰুণ লেখকক চিনাক্ত কৰি তেওঁলোকৰ সৃষ্টিৰাজিৰ গুৰুত্ব উন্মোচন কৰাত বিগত কেইবাদশকত এই বঁটা ক্ৰিয়াশীল হৈ আছে। ক'ভিড মহামাৰীৰ সময়তো যতি নপৰাকৈ প্ৰদান কৰা বঁটাটো সেয়েহে আজি অসমবাসীৰ আকাংক্ষিত বিষয়লৈ পৰিগণিত হৈছে।

এই বছৰলৈকে মুঠ ৫১জন লেখক-লেখিকালৈ মুনীন বৰকটকী সাহিত্য বঁটা আগবঢ়োৱা হৈছে। সংখ্যাটো বিশেষ গুৰুত্বপূৰ্ণ নহয়, বঁটাপ্ৰাপকসকলৰ অধিকাংশই আজি অসমীয়া ভাষা-সাহিত্যৰ একো-একোটা প্ৰভাৱশালী সত্তা হৈছেহি— সেই কথাটো হয়তো অধিক তাৎপৰ্য্যপূৰ্ণ। বঁটাই কিমান দূৰলৈ পঢ়ুৱৈ সৃষ্টি কৰে তাক কোৱাটো কঠিন। কিন্তু মুনীন বৰকটকী সাহিত্য বঁটাই যে পৰৱৰ্তী সময়ত 'পূৰঠ' হোৱা ভালেমান লেখকক অসমৰ চুক-কোণৰপৰা তুলি আনি অনুপ্ৰেৰণা আৰু সাহসৰ সাৰ-পানী যোগাইছে তাক নিঃসন্দেহে ক'ব পৰা যায়। লগতে সেই লেখকসকলক সাহিত্য সাধনা গভীৰভাৱে কৰিবলৈ প্ৰেৰণা যোগোৱাত ই অনুঘটকৰ কাম কৰি আহিছে।

মুনীন বৰকটকী সাহিত্য বঁটা লাভ কৰা অনেকেই পাছৰ পৰ্য্যায়ত আন আন সন্মানীয় বঁটা/স্বীকৃতি লাভ কৰিছে। এটা মাত্ৰ উদাহৰণ দিব খুজিছোঁ— ২০১১ চনৰপৰা ৩৫ বছৰৰ অনূৰ্ধৰ লেখকলৈ প্ৰদান কৰি অহা সাহিত্য অকাডেমিৰ যুৱ বঁটা একেৱাহে ২০১৫ চনলৈকে অসমীয়া ভাষাৰ বাবে লাভ কৰিছিল ইতিমধ্যে মুনীন বৰকটকী সাহিত্য বঁটাপ্ৰাপক লেখক-লেখিকাই। আৰু যোৱা ১৪ বছৰত সৰ্বমুঠ ১০বাৰ সাহিত্য অকাডেমিৰ যুৱ বঁটা লাভ কৰা তৰুণ লেখকসকল হৈছে ইতিমধ্যে মুনীন বৰকটকী বঁটাপ্ৰাপক। এনেকি বহুকেইজনে একেখন পুথিৰ বাবেই দুয়োটা বঁটা লাভ কৰিছে।

সাহিত্যৰ প্ৰায়কেইটা গুৰুত্বপূৰ্ণ ভাগ বা সংৰূপত মুনীন বৰকটকী সাহিত্য বঁটা প্ৰদান কৰা হৈছে, যি বঁটাটোৰ আঁৰত থকা উদাৰ, সমাৱেশী (inclusive) দৃষ্টিকোণ প্ৰতিফলিত কৰে। পৰিসংখ্যালৈ চালে দেখোঁ যে সৰ্বাধিক গল্প পুথিৰ বাবে ২৫জনলৈ বঁটাটো আগবঢ়োৱা হৈছে। তাৰপাছতে আছে কবিতা। মুঠ ১৪জন কবিয়ে মুনীন বৰকটকী সাহিত্য বঁটা লাভ কৰিছে। ৪জনে উপন্যাসৰ বাবে, ৪জনে সাহিত্য সমালোচনাৰ বাবে, দুজনে যুটীয়াভাৱে নাটকৰ বাবে, এজনে গদ্য-সংকলনৰ বাবে আৰু এজন লেখকে আত্মকথাৰ বাবে এই বঁটা লাভ কৰিছে। এটা কথা লক্ষণীয়, বিশেষকৈ গল্প আৰু কবিতাৰ ক্ষেত্ৰত যে বিষয়বস্তু, ভাব আৰু আংগিকৰ পাৰম্পৰিক আৰু পৰীক্ষামূলক কচৰৎ— দুয়োটা ধাৰাকে মুনীন বৰকটকী সাহিত্য বঁটাই সম-মৰ্য্যাদা প্ৰদান কৰি আহিছে। লগতে এই বঁটাৰে সন্মানিত প্ৰায়বোৰ পুথিয়েই

অসমীয়া সাহিত্যৰ লেখত ল'বলগীয়া পাঠ হিচাপে পৰিগণিত হৈছে— সেই কিতাপৰ পৰিচয়েৰেই লেখকৰ প্ৰাৰম্ভিক পৰিচয়ো নিৰ্মাণ হৈছে।

মুনীন বৰকটকী সাহিত্য বঁটাক এটা সন্মানীয় বঁটালৈ উত্তৰণ কৰাৰ যাত্ৰাত অনেক প্ৰসিদ্ধ ব্যক্তিৰ বৰঙণি আছে। কেইবাতৰপীয়া বিচাৰৰ মাধ্যমেৰে প্ৰাপকক বাছি উলিওৱা বাছনি সমিতিত অসমৰ জাতীয় জীৱনৰ কেইবাগৰাকীও নমস্য ব্যক্তিয়ে দায়িত্ব সম্পন্ন কৰিছিল আৰু বৰ্তমানেও কৰি আছে। তাৰ ভিতৰত আমাৰ মাজৰপৰা ইতিমধ্যে কায়িকভাৱে আঁতৰি যোৱাসকলৰ নাম উল্লেখ কৰিব খুজিছোঁ— বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, নীলমণি ফুকন, অৰুণ শৰ্মা, নলিনীধৰ ভট্টাচাৰ্য্য, হীৰেন্দ্ৰনাথ দত্ত, শীলভদ্ৰ, বীৰেন্দ্ৰনাথ দত্ত, শিৱনাথ বৰ্মন, যোগেশ দাস, চন্দ্ৰপ্ৰসাদ শইকীয়া, যোগেন্দ্ৰ নাৰায়ণ ভূঞা, অজিৎ শৰ্মা, কৃষ্ণ ভূঞা, উপেন্দ্ৰনাথ শৰ্মা, মহেশ দাস, ৰবীন শৰ্মা ইত্যাদি। নিতান্তই কাৰিকৰী কাৰণত জীৱিত বিশিষ্টসকলৰ নাম উল্লেখ কৰাৰপৰা বিৰত থাকিলোঁ। মুনীন বৰকটকী সাহিত্য বঁটাৰ স্বৰ্ণিল ঐতিহ্য— য'ত সততে দেখা বঁটা বিতৰ্কৰ দৃষ্টান্ত নাই, তৈয়াৰ কৰি থৈ যোৱাৰ বাবে এইসকল পুৰোধা নিঃসন্দেহে অসমবাসীৰ ধন্যবাদৰ পাত্ৰ।

বঁটা প্ৰাপকসকলক সকলোৱে চিনি পায়, তেওঁলোকৰ সংগ্ৰাম আৰু সাধনাৰ কথা পঢ়ুৱৈয়ে জানিব পাৰে। কিন্তু বঁটা প্ৰদান কৰোঁতাৰ বিষয়ে সাধাৰণ পঢ়ুৱৈয়ে বিশেষ কথা জানিবৰ প্ৰয়োজন বা অৱকাশ নাথাকে। যোৱা ত্ৰিশ বছৰ ধৰি জাতীয় সাহিত্যৰ স্বাৰ্থত মুনীন বৰকটকী সাহিত্য বঁটা প্ৰদান কৰি অহা— অৰ্থমূল্যৰপৰা আনুষংগিক সকলো শ্ৰম আৰু ব্যয় বহন কৰি অহা মুনীন বৰকটকী স্মাৰক ন্যাসৰ প্ৰাক্তন ন্যাসৰক্ষী প্ৰয়াত ৰেণুকা দেৱী বৰকটকী, বৰ্তমানৰ ন্যাসৰক্ষী ডঃ মীনাক্ষী দেৱী বৰকটকী তথা তেখেতসকলৰ পৰিয়ালবৰ্গৰ নিৰলস প্ৰয়াস আৰু অৱদান এই ক্ষেত্ৰত নিতান্তই প্ৰশংসনীয়। ত্ৰিশ বছৰ বৰ তাকৰ সময় নহয়। তেখেতসকলৰ মহানুভৱতা নিশ্চয় আমাৰ সাহিত্য-সংস্কৃতিৰ বুৰঞ্জীত চিৰস্থায়ী হৈ ৰ'ব।

জ্যাঁ পল ছাৰ্টেই *What is Literature*-ত কৈছিল যে সাহিত্যই স্থিতাৱস্থাক প্ৰত্যাহ্বান জনায়, পৰিৱৰ্তনক অনুপ্ৰাণিত কৰে আৰু সামাজিক বিকাশ ত্বৰান্বিত কৰে। মুনীন বৰকটকী সাহিত্য বঁটায়ো প্ৰথম দুটাৰ লগতে আমাৰ জাতীয় সাহিত্যৰ বৈচিত্ৰ্য বিকাশত অনবদ্য ভূমিকা গ্ৰহণ কৰি আহিছে।

সদৌ শেষত মুনীন বৰকটকী সাহিত্য বঁটাৰ গৌৰৱময় পৰম্পৰা অনাগত দিনত অধিক উজ্জ্বল হোৱাৰ কামনাৰে সংশ্লিষ্ট সকলোকে কৃতজ্ঞতা জনাই আমাৰ চমু বক্তব্যৰ সামৰণি মাৰিছোঁ।

(৯ মাৰ্চ, ২০২৫ত মুনীন বৰকটকী সাহিত্য বঁটা প্ৰদান অনুষ্ঠানত
বঁটাৰ ৩০ বছৰ পূৰ্তি উপলক্ষে প্ৰদান কৰা ভাষণৰ সম্পাদিত ৰূপ।)